বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খুতবা জুমা

**আল্লাহৰ ওপৰত তাৱাক্কুল (ভৰসা) সন্দৰ্ভত হজৰত মছীহ মাওউদ আলাইহিছ্ছালামৰ পৱিত্ৰ আদৰ্শ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছায়্যিদিনা আমিৰুল মুমিনীন হজৰত মির্জা মাছৰুৰ আহমদ খলীফাতুল মছীহ আল-খামিছ (আইঃ)-এ ৯ অক্টোবৰ ২০২৬ চনত মছজিদ মুবাৰক, ইছলামাবাদ, টিলফোৰ্ড, ইউ কে-ত প্ৰদান কৰা জুমাৰ খুতবাৰ সাৰাংশ।**

তাশ্বাহুদ, তাউয আৰু ছূৰা আল-ফাতিহা পাঠ কৰাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)-এ কৈছেঃ

হজৰত মছীহ মাওউদ (আঃ)-ৰ তাৱাক্কুলৰ (ভৰসাৰ) ঘটনাসমূহ বৰ্ণনা কৰি হজৰত মির্জা বশ্বীৰ আহমদ চাহাবে লিখিছে যে, ডাক্তৰ মীৰ মহম্মদ ইছমাইল চাহাবে বৰ্ণনা কৰিছে যে— চিকিৎসাৰ ক্ষেত্ৰত হুজুৰৰ পদ্ধতি এনেকুৱা আছিল যে তেখেতে কেতিয়াও একে ধৰণৰ চিকিৎসা কৰা নাছিল; বৰঞ্চ একেটা ৰোগতে ইংৰাজী ঔষধো ব্যৱহাৰ কৰিছিল আৰু হেকিমী ঔষধো। কোনো ব্যক্তিয়ে কিবা উপকাৰী পৰামৰ্শ দিলে তাৰ ওপৰতো আমল কৰিছিল। যদি কাৰোবাৰ সপোনযোগে কিবা জ্ঞান লাভ হয়, তেন্তে কেতিয়াবা তাৰ ওপৰতো আমল কৰিছিল। লগতে দোৱাও কৰিছিল আৰু একে সময়তে ডাক্তৰ আৰু হাকিমসকলৰ পৰাও পৰামৰ্শ লৈছিল। চিকিৎসা বিজ্ঞানৰ কিতাপ চায়ো চিকিৎসাত সহায় লৈছিল। মুঠতে চিকিৎসাক তেখেতে এক মিশ্ৰণ বনাই দিছিল আৰু তেখেতৰ আচল ভৰসা আল্লাহ তা'লাৰ ওপৰতহে আছিল। নবীসকল আৰু সাধাৰণ মানুহৰ অস্থিৰতাৰ পাৰ্থক্য স্পষ্ট কৰি হজৰত মছীহ মাওউদ (আঃ)-এ কয় যে যদিও মানুহক মানৱীয় প্ৰয়োজনীয়তাৰ ভিত্তিত অস্থিৰতা হয়, কিন্তু সেয়া মানৱীয় স্বভাৱ আৰু সকলো নবীও ইয়াত অন্তৰ্ভুক্ত। যিদৰে বদৰৰ যুদ্ধত হজৰত ৰছুলুল্লাহ (ছাঃ)ৰো অস্থিৰতা হৈছিল। সাধাৰণ লোক আৰু নবীসকলৰ মাজত এইটোৱেই পাৰ্থক্য যে সাধাৰণ মানুহৰ দৰে নবীসকলৰ অস্থিৰতাত কেতিয়াও নিৰাশা নাথাকে। তেওঁলোকৰ এই কথাটোৰ ওপৰত পূৰ্ণ বিশ্বাস থাকে যে খোদাই কেতিয়াও তেওঁলোকক ধ্বংস নকৰে।

তেখেতে পুনৰ কয় যে, "মোৰ নিজৰ অৱস্থা এনেকুৱা যে, যদি মোক জ্বলি থকা জুইতো পেলাই দিয়া হয়, তথাপিও মোৰ এই ধাৰণাই থাকিব যে মই কেতিয়াও ধ্বংস নহম। অস্থিৰতা তো হ'বই, কাৰণ ই জুই। জুইৰ দ্বাৰা মানুহ জ্বলি যায় সঁচা, কিন্তু এই আশা থাকে যে এতিয়াই এই মাত (নিৰ্দেশ) আহিব—'হে জুই! তুমি ইব্ৰাহীমৰ বাবে চেঁচা আৰু শান্তিদায়ক হৈ পৰা।' আনহাতে, আন লোকসকলৰ অস্থিৰতাৰ মাজত নিৰাশা নিহিত হৈ থাকে। নিৰাশ তেওঁলোকহে হয়, যিসকলৰ ঈমান নাথাকে। খোদাৰ ওপৰত তেওঁলোকৰ কোনো আশা নাথাকে, আৰু এয়াই হৈছে কুফৰ। এই যি অৱস্থা (নিৰাশাৰ), সেয়াই কুফৰ। গতিকে, অস্থিৰতাৰ সময়তো যিদৰে আল্লাহ তা'লাৰ ওপৰত তাৱাক্কুল (ভৰসা) ৰখাটো নবীসকলৰ বৈশিষ্ট্য, একেদৰে এজন মোমিনৰো উচিত নবীসকলৰ আৰু বিশেষকৈ মহানবী (ছাঃ)-ৰ ছুন্নত অনুসৰণ কৰি হতাশা আৰু নিৰাশাক নিজৰ কাষ চাপিবলৈ নিদিয়াটো।

অস্থিৰতাৰ মাজতো আল্লাহ তা'লাৰ ওপৰত তাৱাক্কুল অটুট থাকিব লাগে। উপায়-উপকৰণ ব্যৱহাৰ কৰিব লাগে, দোৱাৰ ওপৰত জোৰ দিব লাগে আৰু তাৰ পিছত আল্লাহ তা'লাৰ ওপৰত তাৱাক্কুল কৰিব লাগে। আপুনি মোমিনসকলকো এই উপদেশ দিছে যে, মোমিনৰো কাম হ'ল তেওঁৰ আল্লাহ তা'লাৰ ওপৰত তাৱাক্কুল থকা উচিত আৰু এনেদৰে নিৰাশা আহিব নালাগে।

হজৰত মিৰ্জা বশ্বীৰ আহমদ চাহাবে লিখিছে যে, মুন্সী জফৰ আহমদ চাহাব কপুৰথালৱীয়ে বৰ্ণনা কৰিছে— জলছা ছালানাৰ সময়ত আৰ্থিক সংকটৰ বাবে হজৰত মছীহ মাওউদে (আঃ) নিজৰ পত্নীৰ গহনা বিক্ৰী কৰি বা বন্ধকত থৈ অতিথিসকলৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰিছিল। দুদিন পিছত যেতিয়া আকৌ খৰচৰ চিন্তা আহি পৰিল, তেতিয়া হুজুৰে ক'লে, “এওঁলোক যিজনাৰ মেহমান, তেওঁ নিজেই ইয়াৰ ব্যৱস্থা কৰিব।” পিছদিনা পুৱা বিভিন্ন ঠাইৰ পৰা পঞ্চাশ আৰু এশ টকীয়া বহুতো মানি অৰ্ডাৰ আহি পালেহি। এই ঘটনাৰ পৰা এই শিক্ষা পোৱা যায় যে, আল্লাহ তা'লাৰ ওপৰত পূৰ্ণ তাৱাক্কুল (ভৰসা) ৰখা লোকসকলৰ প্ৰয়োজনৰ সময়ত খোদাৰ ফালৰ পৰা অদৃশ্য সাহায্য (গায়েবৰ পৰা সহায়) আহি পৰে।

হজৰত খলীফাতুল মছীহ আউৱাল (ৰাঃ)-এ বৰ্ণনা কৰে যে, আমাৰ হজৰত চাহাবে (হজৰত মছীহ মাওউদে) কৈছিল যে, কাৰোবাৰ আনন্দ এই কাৰণেই যে তেওঁৰ ওচৰত ধন-সম্পদ আছে, কাৰোবাৰ আনন্দ যে তেওঁৰ বহুতো সন্তান আছে আৰু কাৰোবাৰ আনন্দ যে তেওঁৰ বিশাল দলবল আছে। কিন্তু মই এইবাবেই আনন্দিত যে মোৰ খোদা সৰ্বশক্তিমান (কাদিৰ-ই-মুতলাক)।

হজৰত মছীহ মাওউদ (আঃ)-এ কৈছিল যে, প্ৰকৃত ৰিযিকদাতা হ'ল খোদা তা'লা। যি ব্যক্তিয়ে তেওঁৰ ওপৰত ভৰসা কৰে তেওঁ কেতিয়াও ৰিযিকৰ পৰা বঞ্চিত হ'ব নোৱাৰে। তেওঁ সকলো ফালৰ পৰা আৰু সকলো ঠাইৰ পৰা নিজৰ ওপৰত ভৰসা কৰোঁতাজনৰ বাবে ৰিযিক প্ৰেৰণ কৰে। খোদা তা'লাই কয় যে, “যিয়ে মোৰ ওপৰত ভৰসা ৰাখিব আৰু তাৱাক্কুল কৰিব, মই তেওঁৰ বাবে আকাশৰ পৰা বৰ্ষণ কৰোঁ আৰু ভৰিৰ তলৰ পৰা উলিয়াম।” গতিকে প্ৰত্যেক ব্যক্তিৰেই উচিত খোদা তা'লাৰ ওপৰত পূৰ্ণ ভৰসা ৰখা।

হজৰত শ্বেখ য়াকুব আলী চাহাব ইৰফানীয়ে বৰ্ণনা কৰে যে, হজৰত মিৰ্জা বশ্বীৰুদ্দীন মাহমুদ আহমদ (ৰাঃ)-ৰ শৈশৱত হজৰত মছীহ মাওউদ (আঃ)-এ এটা ঈমান উদ্দীপক কাহিনী শুনাইছিল। এজন বুজুৰ্গৰ উপদেশত এজন চোৰে চুৰি কাম ত্যাগ কৰি আল্লাহ তা'লাৰ ওপৰত তাৱাক্কুল আৰু তাকৱা অৱলম্বন কৰাত তেওঁৰ প্ৰয়োজনীয়তাসমূহ অদৃশ্যভাৱে পূৰণ হ'বলৈ ধৰিলে। কোৰআনৰ আয়াতসমূহে তেওঁৰ অন্তৰত খোদা তা'লাৰ মহত্ব আৰু পৰিচয় ইমানেই বৃদ্ধি কৰিলে যে তেওঁ খোদাৰ প্ৰেমত অধীৰ হৈ উঠিল। এই ঘটনাই শিক্ষা দিয়ে যে, সত্য তাৱাক্কুল আৰু তাকৱাই মানুহক খোদা তা'লাৰ নৈকট্য আৰু পৰিচয়ৰ এনে স্তৰত উপনীত কৰায় য'ত তেওঁৰ অনুগ্ৰহত পাৰ্থিৱ প্ৰয়োজনীয়তাসমূহো পূৰণ হৈ যায়।

হুজুৰ আনোৱাৰে কৈছে যে, মানুহে সাধাৰণতে কয় যে, সৰু ল'ৰা-ছোৱালীয়ে অতি গভীৰ কথা বুজিব নোৱাৰে, কিন্তু হজৰত মছীহ মাওউদ (আঃ)-এ হজৰত মুছলেহ মাওউদ অৰ্থাৎ হজৰত মিৰ্জা বশ্বীৰুদ্দীন মেহমুদ আহমদক, যেতিয়া তেওঁৰ বয়স মাত্ৰ ন বছৰ আছিল, তেতিয়াই এই কাহিনীটো শুনাইছিল। নিশ্চয় হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে হজৰত মিৰ্জা বশ্বীৰুদ্দীন মাহমুদ আহমদৰ বুদ্ধিমত্তা অনুসৰিও এই কাহিনী শুনাইছিল, তেখেত (আঃ) হয়তো ভাবিছিল যে শিশুটোৱে বুজি পাব, কিন্তু তেখেতৰ মনত এইটোও আছিল যে সৰুৰে পৰাই শিশুসকলৰ মাজত তাৱাক্কুলৰ (ভৰসাৰ) গুৰুত্ব জগাই তুলিব লাগে। গতিকে তৰবিয়তৰ (প্ৰশিক্ষণৰ) এই নীতিসমূহ আমাৰ সকলোৰে বাবে পথপ্ৰদৰ্শক।

হজৰত মছীহ মাওউদ(আঃ)-এ কৈছিল যে মোৰ দৃষ্টিত আটাইতকৈ ডাঙৰ মুশ্বৰিক হ'ল কিমিয়গৰ (কিমিয়া বা ৰসায়নবিদ্যাৰ জৰিয়তে সোণ তৈয়াৰ কৰিব বিচৰা লোক)। এওঁলোকে ৰিযিকৰ সন্ধানত এনেদৰে অনাই-বনাই ঘূৰি ফুৰে আৰু সেই উপায়সমূহ ব্যৱহাৰ নকৰে যিবোৰ ৰিযিক লাভৰ বাবে আল্লাহ তা'লাই বৈধভাৱে নিৰ্ধাৰণ কৰিছে। কৈছে,তাকৱা (ধৰ্মভীৰুতা) এনে এটা বস্তু যে যিয়ে ইয়াক লাভ কৰে তেওঁ যেন গোটেই জগতৰ নিয়ামত (অনুগ্ৰহ) লাভ কৰিলে। মনত ৰাখিব মুত্তাকী কেতিয়াও কাৰো মুখাপেক্ষী নহয়, বৰঞ্চ তেওঁ এনে স্থানত থাকে যে তেওঁ যি বিচাৰে খোদাই তেওঁ বিচৰাৰ আগতেই যোগান ধৰে। হজৰত মছীহ মাওউদ (আঃ)-এ কয়, "মই এটা কশ্বফ (আধ্যাত্মিক দৰ্শন)ত আল্লাহ তা'লাক দেখিলোঁ যে তেওঁ মোৰ ডিঙিত হাত থৈ কৈছে— যদি তুমি মোৰ হৈ যোৱা, তেন্তে গোটেই জগত তোমাৰ হৈ যাব'।" গতিকে এইটোৱেই সেই ঔষধ যি সকলো নবী, আউলিয়া আৰু ছালেহসকলৰ (সৎ কৰ্মশীলসকলৰ) দ্বাৰা পৰীক্ষিত। অজ্ঞ লোকসকলে ইয়াক এৰি বন-দৰবৰ সন্ধানত ঘূৰি ফুৰে। ইমান কষ্ট যদি তেওঁলোকে এই বন-দৰব সৃষ্টিকৰ্তাজনৰ বাবে কৰিলেহেঁতেন, তেন্তে তেওঁলোকৰ সকলো মনোকামনা পূৰণ হ'লহেঁতেন।

হুজুৰ আনোৱাৰে কৈছে যে, পাদুৰী আব্দুল্লাহ আথমৰ বাবে পোন্ধৰ মাহৰ ভিতৰত মৃত্যুৰ ভৱিষ্যদ্বাণী আছিল। যেতিয়া পোন্ধৰ মাহৰ সময়সীমা পূৰণ হ'বলৈ ধৰিছিল, তেতিয়া কিছুমান বন্ধুৱে কান্দি কান্দি দোৱা কৰি আছিল যে আথমৰ মৃত্যু হওক। কিন্তু হজৰত মছীহ মাওউদ (আঃ)-এ বন্ধুসকলৰ এই কাৰ্যক অপছন্দ কৰিলে আৰু কৈছিল যে, "খোদাতকৈয়ো বেছি কাৰোবাৰ নিজৰ কথাৰ বাবে গায়ৰত (আত্মমৰ্যাদা) থাকিব পাৰেনে?" তেখেতে লগতে কৈছিল, "যেতিয়া খোদা তা'লাই এই কথা কৈছে যে এনেকুৱা হ'ব, তেতিয়া আমি ঈমান ৰাখিব লাগে যে এনেকুৱা নিশ্চয় হ'ব। আমাৰ কাম কেৱল ইমানেই যে, যেতিয়া আমি এজন ব্যক্তিক সত্যবাদী বুলি মানি লৈছোঁ, তেতিয়া তেওঁৰ কথাত বিশ্বাস ৰাখিব লাগে।"

আব্দুল্লাহ আথমৰ সৈতে হোৱা বিতৰ্কৰ সময়ত এবাৰ কিছুমান এনে প্ৰশ্ন উত্থাপন কৰা হৈছিল, যাৰ উত্তৰ কিছুমান বন্ধুৰ দৃষ্টিত কঠিন যেন লাগিছিল আৰু তেওঁলোকৰ ধাৰণা আছিল যে ইয়াৰ উত্তৰৰ বাবে পৰামৰ্শ কৰাৰ প্ৰয়োজন। এনে অৱস্থাত উপযোগী প্ৰসংগ (বা সমল) বিচাৰি উলিয়াই হজৰত মছীহ মাওউদ(আঃ)-ৰ সেৱাত নিবেদন কৰা হ'ল যে, হুজুৰ! কাইলৈৰ বিতৰ্কৰ বাবে আমি পৰামৰ্শ কৰিব পাৰোঁ। তেতিয়া হুজুৰে মিচিকিয়া হাঁহি মাৰি ক'লে, "আপোনালোকৰ দোৱাই যথেষ্ট।"

হজৰত মিৰ্জা বশ্বীৰ আহমদ চাহাবে (ৰাঃ) লিখিছে যে, নবীসকলে বেছিভাগ বিষয়তে পৰামৰ্শ লয় আৰু তেওঁলোকতকৈ বেছি কোনেও পৰামৰ্শ নলয়; কিন্তু কেতিয়াবা এনেকুৱা সময় আহে য'ত আন মাধ্যমসমূহ এৰি তেওঁলোকে কেৱল খোদাৰ সাহায্যৰ ওপৰত ভৰসা কৰিবলৈহে বেছি পছন্দ কৰে।

যেতিয়া হজৰত মছীহ মাওউদ (আঃ)-এ **'আইনাহ কামালাতে ইছলাম'**ৰ আৰবী অংশ ৰচনা কৰি আছিল, তেতিয়া তেখেতে দুখিলা ডাঙৰ কাগজ হজৰত হাকিম মৌলৱী নূৰুদ্দীন চাহাবক দিলে যাতে সেয়া হজৰত মৌলৱী আব্দুল কৰীম চাহাব ছিয়ালকোটীলৈ ফাৰ্চী অনুবাদৰ বাবে পঠিয়াব পৰা যায়। সেই বিষয়টো এনেকুৱা আছিল যে তাৰ সাৱলীলতা আৰু বাগ্মিতাৰ ওপৰত হজৰত মছীহ মাওউদ (আঃ) এ গৌৰৱ কৰিছিল যে আল্লাহ তা'লাই বহুত ভাল বিষয় বুজাই দিছে। কিন্তু হজৰত মৌলৱী নূৰুদ্দীন চাহাবৰ পৰা এই দুখিলা কাগজ ক'ৰবাত হেৰাই গ'ল। যেতিয়া হজৰত মৌলৱী আব্দুল কৰীম চাহাব ছিয়ালকোটীয়ে এই পৃষ্ঠাসমূহৰ বিষয়ে সুধিলে, তেতিয়া হজৰত মৌলৱী নূৰুদ্দীন চাহাবৰ মুখৰ ৰং শেঁতা পৰি গ'ল। অশেষ বিচৰা হ'ল যদিও সেয়া পোৱা নগ'ল। হজৰত মছীহ মাওউদ (আঃ)-ক এই খবৰ দিয়াত, তেখেত স্বভাৱসুলভভাৱে প্ৰফুল্লিত হৈ হাঁহি হাঁহি বাহিৰলৈ ওলাই আহিল আৰু খং কৰা বা চিন্তিত হোৱা দূৰৰ কথা, ওলোটাই নিজৰ ফালৰ পৰা ক্ষমা খুজিবলৈ ধৰিলে যে

পাণ্ডুলিপি হেৰাই যোৱাৰ বাবে মৌলৱী চাহাবৰ অকাৰণতে চিন্তা হ'ল। তেখেতে ক'লে, "মৌলৱী চাহাবৰ কষ্টৰ বাবে মই বৰ দুখিত। মোৰ তো এই বিশ্বাস আছে যে আল্লাহ্ তা'লাই নিজৰ অনুগ্ৰহৰে হেৰাই যোৱা কাগজতকৈয়ো ভাল বিষয় লিখাৰ সামৰ্থ্য দান কৰিব।"

হজৰত মছীহ মাওউদ (আঃ)-এ কয় যে, যি ব্যক্তিয়ে দৰৱেশী (ফকীৰী) আৰু অলপতে সন্তুষ্ট থকাৰ গুণেৰে ইছলামৰ সেৱা কৰে, তেওঁ এক অলৌকিক নিদৰ্শন হৈ পৰে। যি ব্যক্তিয়ে সা-সম্পত্তি আৰু দলবলৰ সৈতে এই কাম কৰে, তাত সেই সোৱাদ পোৱা নাযায়, কাৰণ তাত আল্লাহৰ ওপৰত তাৱাক্কুলৰ (ভৰসাৰ) পূৰ্ণ আনন্দ নাথাকে। আনহাতে, যেতিয়া তাৱাক্কুল ৰাখি কাম কৰা হয়, তেতিয়া আল্লাহে সহায় কৰে আৰু এই কথাবোৰ আধ্যাত্মিকতাৰ পৰাই সৃষ্টি হয়।

তেখেতে লগতে কৈছিল যে, প্ৰকৃততে তাৱাক্কুলেই এনে এটা বস্তু যিয়ে মানুহক সফল আৰু উদ্দেশ্যপ্ৰাপ্ত কৰে। আল্লাহ তা'লাই কয় যে— "যিয়ে আল্লাহৰ ওপৰত তাৱাক্কুল কৰে, আল্লাহ তাৰ বাবে যথেষ্ট হৈ যায়।" পিছে চৰ্ত হ'ল, তেওঁ সঁচা অন্তৰেৰে তাৱাক্কুলৰ প্ৰকৃত অৰ্থ বুজি আন্তৰিকতাৰে খোজ পেলোৱাজন হ'ব লাগিব আৰু ধৈৰ্যশীল তথা স্থিৰমনা হ'ব লাগিব। সমস্যা দেখি ভয় খাই পিছুৱাই যাব নালাগে।

হজৰত মছীহ মাওউদ (আঃ)-এ কয় যে, "যদি মানুহৰ অন্তৰত ধৰ্মৰ চিন্তা প্ৰৱল হৈ পৰে, তেন্তে তেওঁৰ পাৰ্থিৱ কাম-কাজৰ জিম্মাদাৰ খোদাই নিজেই কৰি দিয়ে। দুখৰ বিষয় যে, ডাঙৰ ডাঙৰ দুৰ্যোগ প্ৰতিদিনে ঘটি আছে, কিন্তু মানুহবোৰ এনেকুৱা যে অলপো ভ্ৰূক্ষেপ নকৰে, মনোযোগ নিদিয়ে। মুছা (আঃ)-ৰ সময়ৰ কাফিৰবোৰেই ভাল আছিল যে, যেতিয়া তেওঁলোকৰ ওপৰত আযাব (শাস্তি) নামি আহিছিল, তেতিয়া তেওঁলোকে মনোযোগ দিছিল আৰু কৈছিল যে—এইটো আঁতৰি গ'লে আমি মানি ল'ম। কিন্তু আজিকালিৰ কাফিৰবোৰ তেওঁলোকতকৈয়ো বেছি কঠোৰ হৃদয়ৰ; নতুন নতুন আযাব আহে, নতুন নতুন ৰূপত খোদাৰ প্ৰকোপ নামি আহে, কিন্তু এওঁলোক এনেকুৱা যে অলপো ভ্ৰূক্ষেপ নকৰে। আল্লাহ তা'লাৰ প্ৰাচীন কালৰে পৰা এই প্ৰতিশ্ৰুতি আছিল যে শেষ যুগত নানা ধৰণৰ আযাব আহিব, সেই সময়ত একাংশই হিদায়ত পাব আৰু সৰহভাগেই ধ্বংস হ'ব। খোদাই অৱশ্যে নিদৰ্শন দেখুৱায়, কিন্তু নিদৰ্শনৰ পৰা তেওঁলোকেই লাভৱান হয় যিসকল মুমিন।"

হুজুৰ আনোৱাৰে কৈছে যে, আল্লাহ তা'লাই এই দুনিয়াদাৰ লোকসকলক জ্ঞান প্ৰদান কৰক, যাতে এওঁলোকে আল্লাহ তা'লাৰ পিনে উভতি আহে আৰু নিজৰ ইহকাল তথা পৰকাল সুন্দৰ কৰি তোলা লোক হ'ব পাৰে। আমি যিসকল হজৰত মছীহ মাওউদ (আঃ)-ৰ অনুসৰণকাৰী, আমাৰো ঈমান আৰু বিশ্বাস বৃদ্ধি কৰক, আৰু আমি দোৱাৰ লগতে তাৱাক্কুলৰ (ভৰসাৰ) উচ্চ মানদণ্ড অৰ্জন কৰোঁতা আৰু সেই দিশত অগ্ৰসৰ হোৱা লোক যেন হ'ব পাৰোঁ। আমীন।।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَ نَسْتَعِيْنُہٗ وَ نَسْتَغْفِرُہٗ وَ نُؤْمِنُ بِہٖ وَ نَتَوَكَّلُ عَلَيْہِ وَ نَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَ مِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَ مَنْ
يُّضْلِلْہُ فَلَا هَادِیَ لَہٗ وَ نَشْهَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ وَ نَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَ رَسُوْلُہٗ عِبَادَ اللّٰہِ رَحِمَكُمُ اللّٰہُ اِنَّ اللّٰہَ يَأْمُرُ بِالْعَدْلِ وَ الْاِحْسَانِ وَ اِيْتَآءِ ذِی
الْقُرْبٰی وَ يَنْهٰی عَنِ الْفَحْشَآءِ وَ الْمُنْكَرِ وَ الْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰہَ يَذْكُرْكُمْ وَ ادْعُوْہُ يَسْتَجِبْ لَكُمْ وَ لَذِكْرُ اللّٰہِ اَكْبَرُ۔